# নামভৰ্তিৰ নিয়মাৱলী
## উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
## জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো
## শিক্ষাবৰ্ষ - ২০২২-২৩

২০২২-২৩ শিক্ষাবৰ্ষত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে তলত দিয়া নিয়মানুসাৰে নামভৰ্তি কৰিব পাৰিব

১। ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমতে AHSEC ৰ দৰ্পণ পৰ্টেললৈ গৈ নিজৰ প্ৰয়োজনীয় তথ্য পৰ্টেলত বিচৰা ধৰণে দাখিল কৰাৰ লগতে নামভৰ্তিৰ মহাবিদ্যালয় বাচনি তালিকাত "জৱাহৰলাল নেহৰু মহাবিদ্যালয়" বাচনি কৰিব লাগিব ।

২। দৰ্পণ পৰ্টেলত দিয়া নিৰ্দেশাৱলী অনুসৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰফাইলৰ শুদ্ধাশুদ্ধি নিৰ্ণয় কৰাৰ পিছত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত নামভৰ্তিৰ বাবে বাছনি কৰা হ'ব । এই প্ৰক্ৰিয়া ২০ জুনৰ পৰা ২২ জুন, ২০২২ লৈকে চলি থাকিব ।

৩। মহাবিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীগৰাকীক বাচনি কৰাৰ লগে লগে তেওঁলোকৰ পঞ্জীয়নভুক্ত নম্বৰত এটা বাচনি সংক্ৰান্তীয় মেছেজ লাভ কৰিব ।

৪। বাচনি ভুক্ত ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ পৰ্টেল **https://jncollegeonline.co.in** লৈ গৈ নামভৰ্তিৰ বাবে আবেদন কৰিব লাগিব ।

৫। মহাবিদ্যালয়ৰ পৰ্টেলত আবেদন কৰাৰ সময় সীমা হ'ল ১৮ জুনৰ পৰা ২২ জুন, ২০২২।

৬। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান আৰু কলা শাখা) ৰ মেধাভিত্তিক বাচনিভুক্ত তালিকা মহাবিদ্যালয়ৰ ৱেবচাইট **https://jncollegeboko.ac.in** ত ২৪ জুন, ২০২২ তাৰিখে প্ৰকাশ কৰা হ'ব ।

৭/ ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তি প্ৰক্ৰিয়া মহাবিদ্যালয়ৰ পৰ্টেলৰ যোগেদি সম্পূৰ্ণভাৱে অনলাইন প্ৰক্ৰিয়াৰে ২৫ জুন আৰু ২৬ জুন, ২০২২ তাৰিখে কৰা হ'ব।

৮। ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ **Unique ID** নামভৰ্তিৰ প্ৰক্ৰিয়াৰ আগতেই **DHE** পৰ্টেলৰ **http://dheonlineadmission.amtron.in** ৱেবচাইটত **log in** কৰি সংগ্ৰহ কৰিব লাগিব আৰু মহাবিদ্যালয় পৰ্টেলত নামভৰ্তি প্ৰক্ৰিয়াত যথাস্থানত দাখিল কৰিব লাগিব ।

নামভৰ্তি প্ৰক্ৰিয়াৰে অগ্ৰগতিৰ খতিয়ান সময়ে সময়ে মহাবিদ্যালয়ৰ ৱেবচাইট আৰু মহাবিদ্যালয়ৰ জাননী ফলকত দিয়া হ'ব। ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তি সম্পৰ্কীয় কাৰিকৰী উপদেশৰ বাবে 7002247432, 7002054676, 8822765719 বা 7002744342 নম্বৰত যোগাযোগ কৰিব পাৰিব।

ড° তপন দত্ত
অধ্যক্ষ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো